**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰী ফাম মিন ছিনৰ মাজত দ্বিপাক্ষিক বৈঠক অব্যাহত আছে। বৈঠকৰ অন্তত উভয় ৰাষ্ট্ৰৰ সহমতত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

২। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত এখন সাতজনীয়া বিচাৰপীঠে আজি ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ভিতৰত উপ-বৰ্গীকৰণৰ অনুমতি দি ৰায় দান কৰে।

৩। ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি আৰু বৃক্ষ অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে।

৪। কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৬০ অতিক্ৰম কৰিছে।

আৰু

৫। পেৰিছ অলিম্পিকত আজিৰেপৰা এথলেটিক্‌ছ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভাৰতৰ স্বপ্নীল কুশাল সম্প্ৰতি পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত অৱতীৰ্ণ হৈছে।

০০০০০০০

নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰী ফাম মিন ছিনৰ মাজত দ্বিপাক্ষিক বৈঠক অব্যাহত আছে। এই বৈঠকৰ পাছত উভয় ৰাষ্ট্ৰৰ সহমতত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। আজি পুৱা নতুন দিল্লীত ৰাষ্ট্ৰপতি ভৱন চৌহদত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মানাৰ্থে এটি অভ্যৰ্থনাৰ আয়োজন কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতি ভৱনত তেওঁক সাক্ষাৎ কৰে। ভিয়েটনামৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিস্থলত পুষ্পাৰ্ঘ্য নিবেদন কৰে। ভিয়েটনামৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰাৰ কথা। উল্লেখযোগ্য যে শ্ৰী ছিন তিনিদিনীয়া কাৰ্যসূচীৰে যোৱা মঙলবাৰে আহি নতুন দিল্লীত উপস্থিত হয়। তেওঁৰ সৈতে কেইবাগৰাকীও মন্ত্ৰী, উপ-মন্ত্ৰী, ব্যৱসায়ীসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল ভাৰতলৈ আহিছে। ভাৰত আৰু ভিয়েটনামৰ মাজত অতি পুৰণি ঐতিহাসিক আৰু সাংস্কৃতিক সম্বন্ধ আছে। ২০১৬ চনৰ ছেপ্তেম্বৰত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কৰা ভিয়েটনাম ভ্ৰমণৰ জৰিয়তে এই সম্পৰ্ক সৰ্বাংগীন কৌশলগত অংশীদাৰিত্বৰ পৰ্যায়লৈ উন্নীত হয়। ভাৰতে ভিয়েটনামক পূবলৈ চোৱা নীতিৰ মূল স্তম্ভ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় ভৱিষ্য দৰ্শনৰ অতি গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপেও বিবেচনা কৰে।

০০০০০০০০০

মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত এখন সাতজনীয়া বিচাৰপীঠে আজি ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ভিতৰত উপ-বৰ্গীকৰণৰ অনুমতি প্ৰদান সম্বন্ধে ৰায় দান কৰে। সৰ্বোচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত ২০০৪ চনৰ পি ভি চিন্নায়াৰ ৰায়ক ৬-১ বহুমতত খাৰিজ কৰে। চিন্নায়াই তেওঁৰ ৰায়ত অনুসূচিত জাতিৰ সংৰক্ষণৰ ক্ষেত্ৰত উপ-বৰ্গীকৰণ চৰকাৰী চাকৰি আৰু প্ৰৱেশৰ ক্ষেত্ৰত স্বীকাৰ কৰা নহ'ব বুলি কৈছিল। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে নিজৰ ৰায়ত আজি ঐতিহাসিক সাক্ষ্যৰ বিষয়ে উল্লেখ কৰি কয় যে অনুসূচিত জাতি সমজাতিক নহয়। ইয়াৰ উপ-বৰ্গীকৰণ সংবিধানৰ ১৪ নম্বৰ অনুচ্ছেদৰ উলংঘন নহয় বুলিও তেওঁ কয়।

০০০০০০০০০

ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি আৰু বৃক্ষ অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে। এই কাৰ্যসূচীৰ অধীনত অহা ২০ আগষ্ট পৰ্যন্ত ৰাজ্যজুৰি ৩ কোটি গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। গুৱাহাটীত থকা অসম লোকসেৱা ভৱনত কালি অনুষ্ঠিত কেবিনেট বৈঠকৰ অন্তত আয়োজন কৰা সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই তথ্য প্ৰকাশ কৰে। কেবিনেটত লোৱা সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকক অৱগত কৰি তেওঁ কয় যে অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত পূৰ্বতে কিছু আসোঁৱাহ দেখিবলৈ পোৱা গৈছিল যদিও এইবাৰ সেইসমূহ দূৰ কৰি ৰেচন কাৰ্ড আৰু আধাৰ কাৰ্ড থকা প্ৰায় ৪৭ লাখ হিতাধিকাৰীক সামৰি লোৱা হ'ব। ইপিনে, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্তসকলৰ বিশেষ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ অৱগত কৰে। তেওঁ লগতে কয় যে, শীঘ্ৰেই বিশেষ বাছনি প্ৰক্ৰিয়াৰ মাজেৰে আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৰাজ্যৰ ৩০ হাজাৰ নিৱনুৱাক ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ ২ লাখ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে ১ লাখ নিবনুৱাক অৰ্থ সাহায্যৰ প্ৰদানৰ লক্ষ্য লৈছে যদিও প্ৰথম পৰ্যায়ত ৩০ হাজাৰ যুৱক-যুৱতীয়েহে এই সুবিধা লাভ কৰিব। দ্বিতীয় পৰ্যায়ত আৰু ৭০ হাজাৰ নিবনুৱাক আঁচনিখনৰ অধীনত সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, প্ৰথম পৰ্যায়ৰ বাবে জিলাভিত্তিক সাক্ষাৎকাৰ অহা ১৬ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ছেপ্তেম্বৰৰ শেষৰ ফালে এই ধন বিতৰণ কৰা হ'ব। ইয়াৰ লগতে অহা ৭ আৰু ৮ আগষ্টত ৰাজ্য চৰকাৰৰ নতুন আঁচনি নিযুত মইনাৰ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, ৰাজ্য চৰকাৰে এইবাৰ ৮০০ খন চাহ বাগিচাৰ পৰা ৮ হাজাৰ গৰাকী নাচনীৰ দ্বাৰা ঝুমুৰ প্ৰদৰ্শন কৰাৰ লক্ষ্য লোৱাৰ কথা উল্লেখ কৰি অহা ২০ নৱেম্বৰত সৰুসজাই ষ্টেডিয়ামত এই ঝুমুৰ নৃত্য পৰিৱেশন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ চলিত বৰ্ষৰ শেষৰপিনে অনুষ্ঠিত কৰিবলৈ জানিবলৈ দি মুখ্যমন্ত্ৰী শৰ্মাই জন্মৰ লগে লগে হাস্পতালতে যাতে নৱজাতকে আধাৰ কাৰ্ড লাভ কৰিব পাৰে তাৰবাবে শীঘ্ৰেই ৰাজ্যৰ ১৩ খন চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত একোটাকৈ আধাৰ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা বুলিও সংবাদমেলত অৱগত কৰে।

oooooooo

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৬০ অতিক্ৰম কৰিছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্যান্য সংস্থাৰ সহযোগত যোৱা মঙলবাৰৰ পৰা অঞ্চলটোত সাহায্য আৰু উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰিছে। IAF C-17 পৰিবহণ বিমানৰ জৰিয়তে অঞ্চলটোত ৫৩ মেট্ৰিকটন চিকিৎসা সামগ্ৰীকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ইপিনে, AN-32 আৰু C-130 বিমানৰ যোগেদি সাহায্য সামগ্ৰী তথা জোৱানসকলক অনা-নিয়া কৰা হৈছে। এই বিমানসমূহে সামগ্ৰিকভাৱে উদ্ধাৰকাৰী দলসমূহকে ধৰি ২০০তকৈও অধিক লোকৰ যাতায়াতত সহায় কৰাৰ লগতে দুৰ্যোগ প্ৰভাৱিত এলেকাৰ পৰা বাসিন্দাসকলক স্থানান্তৰৰ কামত জড়িত হৈছে। আনহাতে, সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে MI-17 আৰু ধ্ৰুৱ্ নামৰ উন্নত লঘু হেলিকপ্তাৰ ব্যৱহাৰ কৰা হৈছে। এই হেলিকপ্তাৰসমূহে প্ৰভাৱিত এলেকাসমূহৰ পৰা যথেষ্ট সংখ্যক লোকক নিৰাপদে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে কালি ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত আবদ্ধ ১৮৯ জন লোক আৰু চাৰিটা শৱদেহ উদ্ধাৰ কৰা হয়। সেনাবাহিনীৰ দলে আজি পুৱা আট্টামালা, মুণ্ডাক্কি আৰু চুৰামালাত উদ্ধাৰ আৰু সাহায্য অভিযান পুনৰ আৰম্ভ কৰে। উদ্ধাৰ কাৰ্যত প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰৰ দলৰো সহায় লোৱা হৈছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিক'ড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই ইতিমধ্যে তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসনৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়াব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আশ্বাস দিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং ছুখুৰ সৈতে ৰাজ্যখনত ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বিষয়ে বাৰ্তালাপ কৰে। গৃহ মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী নিয়োগকে ধৰি প্ৰয়োজনীয় সকলো সা-সুবিধা আগবঢ়াব বুলি নিশ্চিতি দিয়ে।

০০০০০০০০০

নিৰ্বাচন আয়োগে জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিগত চাৰিটা বছৰত এখন নিৰ্দিষ্ট জিলাত নাইবা নিজৰ স্থানীয় জিলাত তিনি বছৰতকৈ অধিক সময়ৰ বাবে কৰ্মৰত বিষয়াসকলক স্থানান্তৰ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি আয়োগে মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়াক দিয়া নিৰ্দেশ মতে নিৰ্বাচনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকা কোনো বিষয়াকে নিজৰ জিলা নাইবা সম্প্ৰতি কৰ্মৰত জিলাসমূহত কাম কৰাৰ অনুমতি দিব নালাগে। উচ্চতম ন্যায়ালয়ে যোৱা ১১ ডিচেম্বৰত চলিত বৰ্ষৰ ছেপ্তেম্বৰৰ ভিতৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০০০০

পেৰিছ্ অলিম্পিকত আজিৰেপৰা এথলেটিক্‌ছ্ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ভাৰতৰ স্বপ্নীল কুশাল সম্প্ৰতি পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত অৱতীৰ্ণ হৈছে। একেদৰে দুবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰা নিখাট জৰিনে মহিলাৰ বক্সিঙৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত এছিয়ান গেমছৰ চেম্পিয়ন বু য়ুৰ বিৰুদ্ধে খেলিব। খেলখন দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হ'ব। ছিফ্‌ট কৌৰ আৰু অঞ্জুম মুডগিলে মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানৰ যোগ্যতা নিৰূপণৰ ৰাউণ্ডৰ খেলেৰে বিয়লি চাৰে ৩ বজাত নিজৰ অভিযান আৰম্ভ কৰিব। ইপিনে, পি ভি সিন্ধু, লক্ষ্য সেন আৰু এইছ্ এছ্ প্ৰণয় বেডমিণ্টনৰ ছিংগলছত নক-আউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব। আনহাতে, সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰিব।

০০০০০

**সমাপ্ত**